**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ বিষয় লৈ ৰাজ্য চৰকাৰৰ তৎপৰতা। তিনিটা অতিৰিক্ত কামাণ্ডো বেটেলিয়নৰ লগতে বনবিভাগৰ ৬০০ জন জোৱান মোতায়েন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ভিন্ন প্ৰান্তত বান পৰিস্থিতি অব্যাহত। চলিত বছৰৰ বানত এইপৰ্যন্ত ২৫ জন লোকৰ মৃত্যু হোৱা বুলি ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ প্ৰকাশ।

৩। অহা ১০ বছৰত ভূ-গৰ্ভৰ তলৰ পানীৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰাৰ লক্ষ্যৰে বিটিআৰত গ্ৰীন বড়োলেণ্ড মিছন আঁচনি মুকলি।

৪। অসমৰ অলিম্পিক পদকজয়ী মহিলা বক্সাৰ লাভলীনা বৰগোহাঁইৰ চেক গণৰাজ্যত অনুষ্ঠিত গ্ৰাঁ-প্ৰি ২০২৪ত ৰূপৰ পদক লাভ।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ত ৭ পইণ্ট লাভেৰে শীৰ্ষস্থান দখল কৰি ভাৰতৰ ছুপাৰ-৮ লৈ যোগ্যতা অৰ্জন।

০০০০০০

বাৰিষাৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱকূলৰ সুৰক্ষা, খাদ্য যোগান তথা বানৰ সুযোগ লৈ চোৰাং চিকাৰীয়ে যাতে গঁড় হত্যা কৰিব নোৱাৰে সেই বিষয়সমূহ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কাজিৰঙাত এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বান পৰিস্থিতিৰ সৈতে বন বিভাগ তথা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কিদৰে মোকাবিলা কৰিব তাৰ খতিয়ান লয়। তেওঁ লগতে চোৰাং চিকাৰী প্ৰতিৰোধৰ উদ্দেশ্যে কাজিৰঙাৰ সামগ্ৰিক নিৰাপত্তা ব্যৱস্থাৰ সন্দৰ্ভতো বন বিভাগ তথা আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে আলোচনা কৰে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কাজিৰঙাত নতুনকৈ ৩টা অতিৰিক্ত কামাণ্ডো জোৱানৰ লগতে বন বিভাগৰ ৬০০ জোৱান মোতায়েন কৰাৰ উপৰি কাজিৰঙাত নিৰন্তৰ চলি থকা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধৰ বাবে এটা বিশেষজ্ঞৰ দল গঠন কৰা হ'ব বুলি ঘোষণা কৰে। আনহাতে কাজিৰঙাৰ নিৰাপত্তা অধিক কটকটীয়া কৰাৰ উদ্দেশ্যে ২০খনকৈ মেৰাইন ইঞ্জিনচলিত নাৱৰ ব্যৱস্থা কৰাৰ লগতে বন্য জন্তু সুৰক্ষাৰ স্বাৰ্থত উদ্যানখনৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথছোৱাত অধিক নিৰাপত্তাৰ ব্যৱস্থা প্ৰৱৰ্তনৰ কথাও তেওঁ ব্যক্ত কৰে।

ইপিনে কাজিৰঙালৈ বিগত পৰ্যতন বৰ্ষত ৩ লাখ ২৭ হাজাৰ দেশী-বিদেশী পৰ্যটকৰ আগমন হোৱাটো শুভ লক্ষণ বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰিসৰ ৰাজ্য চৰকাৰে বেদখলমুক্ত কৰা বনভূমি বুঢ়াচাপৰিলৈ সম্প্ৰসাৰিত হোৱাটো ইতিবাচক বিষয় বুলি কয়। তেওঁ লগতে বন্যপ্ৰাণী পুনৰ সংস্থাপনৰ বাবে পানবাৰীত এটা নতুন চৰকাৰী কেন্দ্ৰ স্থাপন কৰা হ'ব বুলিও ঘোষণা কৰে। বৈঠকত বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীসহ কেবিনেট মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা, কেশৱ মহন্ত, বিধানসভাৰ উপাধ্যক্ষ ডঃ নোমল

মমিন, বিধায়ক বিদ্যাছিং ইংলেৰ লগতে প্ৰশাসন আৰু আৰক্ষীৰ শীৰ্ষ বিষয়া তথা কাজিৰঙা সংলগ্ন ৬ খন জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষক উপস্থিত থাকে।

০০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ভিন্ন প্ৰান্তত অব্যাহত থকা বান পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। অসমৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচলত হোৱা মুষলধাৰ বৰষুণৰ ফলত কামিয়া, ৰাইনদী আৰু কানিনদীৰ জলপৃষ্ঠ ওফন্দি পৰাত নিলখ আৰু মৰিধল পঞ্চায়ত অন্তৰ্গত প্ৰায় ৩০ খন গাঁও বানৰ কবলত পৰিছে। ইপিনে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ অন্তৰ্গত গুৱাহাটী-শিলচৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ লুমছুলমত পাহাৰৰ শিল আৰু বৃহৎ ভূমিখণ্ড খহি পৰাত ৰাষ্ট্ৰীয় ঘাইপথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ তথ্য অনুসৰি চলিত বছৰত এইপৰ্যন্ত বানত ২৫ জন লোকৰ মৃত্যু হৈছে।

ইফালে বতৰ বিজ্ঞান বিভাগে ৰেড এলাৰ্ট জাৰি কৰা লামডিং-বদৰপুৰ পাৰ্বত্য খণ্ডৰ ডিমা হাচাও অঞ্চলৰ মাজেৰে যোৱা ৰে'লপথসমূহত বোকাপানী জমা হৈ ৰে'ল আবদ্ধ হৈ পৰিব বুলি আশংকা কৰি উত্তৰ-পূব সীমান্ত ৰে'লৰে অঞ্চলটোৰ মাজেৰে চলাচল কৰি থকা কেইখনমান ৰে'ল বাতিল কৰিছে। সেই অনুসৰি আজি যাত্ৰা আৰম্ভ কৰিবলগীয়া গুৱাহাটী-শিলচৰ-গুৱাহাটী সংযোগী, দুৰ্ল্লভচেৰা-গুৱাহাটী সংযোগী, শিলচৰ-ৰঙিয়া আৰু নিউ তিনিচুকীয়া-শিলচৰ সংযোগী এক্সপ্ৰেছ ৰে'লগাড়ী ৪খনৰ সেৱা বাতিল কৰা হৈছে।

০০০০০০

সাম্প্ৰতিক বান-খহনীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কালি গহপুৰৰ লোহিতমুখ অঞ্চলৰ কবৈআতি ভ্ৰমণ কৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বুজ লোৱাৰ লগতে খহনীয়াত প্ৰভাৱিত অঞ্চলবাসীৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে কবৈআতিত ব্ৰহ্মপুত্ৰ নদীৰ বাঢ়ি অহা এটা সুঁতিয়ে সৃষ্টি কৰা খহনীয়াৰ ফলত অঞ্চলটোৰ বহু ৰাইজৰ খেতি-মাটি নৈৰ বুকুত জাহ হৈছে। সাংসদ ৰঞ্জিত দত্ত আৰু বিধায়ক উৎপল বৰাৰ সৈতে কালি সেই স্থান পৰিদৰ্শন কৰি মন্ত্ৰী শ্ৰীহাজৰিকাই সুঁতিটো ৭টা স্থানত পৰ্যায়ক্ৰমে বন্ধ কৰি এলেকাটোত খহনীয়া ৰোধ কৰাৰ লগতে খেতি-বাতিও উদ্ধাৰ কৰিব পৰা যাব বুলি স্থানীয় ৰাইজক আশ্বাস দিয়ে। আনহাতে মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত গহপুৰৰ বান পৰিস্থিতি পূৰ্বৰ তুলনাত ভালেখিনি নিয়ন্ত্ৰণলৈ অহা বুলি উল্লেখ কৰি কয় যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে গহপুৰ সমষ্টিৰ বান-খহনীয়া ৰোধৰ বাবে বিগত ৩টা বছৰত প্ৰায় আঢ়ৈশ কোটিৰো পুঁজি প্ৰদান কৰিছে। লোহিতমুখৰ খহনীয়া ৰোধৰ কাম সমাপ্ত কৰিলে গহপুৰৰ বান-খহনীয়া সমস্যাৰ প্ৰায় সকলোখিনিয়েই সমাধান হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো এই দিৱসৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে **নিজৰ আৰু সমাজৰ বাবে যোগ**। মানৱ জীৱনত যোগৰ প্ৰয়োজন সম্পৰ্কে যোগবিদ অঞ্জন কৌশিক শৰ্মাই এইদৰে কয়—

***ঃঃ ভইচ ঃঃ***

ইপিনে যোগ দিৱস উপলক্ষে বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী কামৰূপ শাখাৰ উদ্যোগত গুৱাহাটীৰ লতাশিল খেলপথাৰত অহা ২১ জুনৰ পুৱা ৬ বজাৰ পৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ কাৰ্যসূচী হাতত লোৱা হৈছে। আনহাতে যোগ দিৱসৰ লগত সংগতি ৰাখি কালি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় আয়ুষ অভিযান অসম আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত জিলা ভিত্তিত যোগাসন প্ৰতিযোগিতা

অনুষ্ঠিত হয়। ইফালে নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় আয়ুষ মিছন অসম শাখাৰ সহযোগত কালি নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহতো জিলা ভিত্তিক যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, ২০১৫ চনৰ ২১ জুনৰ পৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ মৰ্মে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰি অহা হৈছে।

০০০০০০

বি টি আৰ এলেকা সেউজীয়া কৰাৰ লক্ষ্যৰে কালি বিটিচি সচিবালয়ৰ চৌহদত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে গ্ৰীণ বড়োলেণ্ড মিছন নামেৰে এখন আঁচনি মুকলি কৰে। বড়োলেণ্ড এলেকাত থকা ৩৪ শতাংশ বনাঞ্চলৰ পৰা ধ্বংস হোৱা ১৪ শতাংশ বনাঞ্চলৰ পুনৰ সেউজকৰণৰ লগতে এই আঁচনিৰ জৰিয়তে বড়োলেণ্ডৰ বিস্তীৰ্ণ অঞ্চলত গছপুলি ৰোপণ আৰু ১০০ বৰ্গ কিলোমিটাৰ এলেকাক বনাঞ্চল হিচাপে ঘোষণা কৰা হ'ব। অহা তিনি বছৰৰ ভিতৰত বি টি আৰত এবাৰ ব্যৱহৃত প্লাষ্টিক সম্পূৰ্ণৰূপে বন্ধ কৰাৰ লক্ষ্য লোৱা বুলি উল্লেখ কৰি বিটিচিৰ মুখ্য কাৰ্যবাহীগৰাকীয়ে তাৎক্ষণিকভাৱে প্ৰযোজ্য হোৱাকৈ বি টি আৰ সচিবালয়ত প্লাষ্টিকৰ পানীৰ বটল আৰু এবাৰ ব্যৱহৃত পলিথিন বেগ নিষিদ্ধ কৰাৰ কথা ঘোষণা কৰে। আনহাতে এই আঁচনিৰ অধীনত অহা ১০ বছৰত ভূ-গৰ্ভৰ পানীৰ ব্যৱহাৰো সম্পূৰ্ণৰূপে বন্ধ কৰাৰ লক্ষ্য লোৱা হৈছে বুলিও শ্ৰী বড়োৱে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, গ্ৰীণ বড়োলেণ্ড মিছনৰ বাবে বি টি আৰৰ বাজেটত ১৬ কোটি টকা ধাৰ্য কৰা হৈছে আৰু প্ৰাৰম্ভিক পৰ্যায়ত ইয়াৰে তিনি কোটি টকা ইতিমধ্যে মোকলাই দিয়া হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ নৱনিৰ্মিত মুখ্যমন্ত্ৰী ভৱনত হ'বলগীয়া এটা অনুষ্ঠানত জনতাভৱন সৌৰ প্ৰকল্পৰ উদ্বোধন কৰিব। এই প্ৰকল্পৰ জৰিয়তে মাহে গড়ে তিনি লাখ ইউনিট বিদ্যুৎ উৎপাদন কৰি প্ৰচলিত শক্তিৰ উৎসৰ ব্যৱহাৰ হ্ৰাস কৰিব পৰা যাব বুলি এই প্ৰকল্পৰ জৰিয়তে ৪ বছৰৰ বিতৰত সমগ্ৰ বিনিয়োগ আদায় কৰাৰ লগতে মাহিলী প্ৰায় ৩০ লাখ টকাৰ সঞ্চয় কৰিব পৰা যাব। উল্লেখযোগ্য যে এই সৌৰ প্ৰকল্পৰ জৰিয়তে ২৫ বছৰৰ ভিতৰত কাৰ্বন নিৰ্গমন ৭৬ হাজাৰ ৫০০ মেট্ৰিকটন পৰ্যন্ত হ্ৰাস পাব।

০০০০০০

গুণগত মানৰ বীজ উৎপাদন আৰু উপলব্ধতা বৃদ্ধিৰ জৰিয়তে ৰাজ্যৰ কৃষিক্ষেত্ৰ আগবঢ়াই নিয়াৰ লক্ষ্যৰে অসম কৃষি বিশ্ববিদ্যালয়ে কালি এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰে। বিশ্ববিদ্যালয়খনত অনুষ্ঠিত এই আলোচনাত ৰাজ্যৰ কেইবাটাও আগশাৰীৰ বীজ বিক্ৰেতা সংস্থাৰ প্ৰতিনিধি আৰু বীজ উৎপাদকে অংশ লয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ বিদুৎ চন্দন ডেকাৰ উপস্থিতিত অনুষ্ঠিত আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থকা বিভিন্নজনে ৰাজ্যৰ কৃষিক্ষেত্ৰত বৰ্তমান সময়ত গুণগত মানৰ বীজৰ প্ৰয়োজনীয়তা আৰু বীজ উৎপাদন তথা সংৰক্ষণৰ ক্ষেত্ৰত অসম স্বাৱলম্বী নোহোৱাৰ বিষয়ে আলোকপাত কৰাৰ লগতে উপাচাৰ্য ড০ ডেকাই বিশ্ববিদ্যালয়খনে এই দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে সদৰি কৰে। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগী কৃষি গৱেষণা সঞ্চালক ড০ মৃণাল শইকীয়া, অসম ধান গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী ড০ মিলনজ্যোতি কোঁৱৰকে ধৰি বিভিন্নজন উপস্থিত থাকে।

০০০০০০

অসমৰ অলিম্পিক পদক জয়ী মহিলা বক্সাৰ লাভলীনা বৰগোহাঁইয়ে চেক গণৰাজ্যত অনুষ্ঠিত গ্ৰাঁ-প্ৰি ২০২৪ত ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১২ৰ পৰা ১৫ জুনলৈ ৰাউণ্ড ৰবিন ফৰ্মেটত অনুষ্ঠিত

হোৱা প্ৰতিযোগিতাখনৰ অন্তিম দিনটোত লাভলীনা চীনৰ লি কিয়ানৰ বিৰুদ্ধে তৃতীয়খন খেলত ২-৩ৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডৰ ছাণ্টাল ৰিডৰ বিৰুদ্ধে ৩-২ পইণ্টৰ ব্যৱধানত জয়লাভ কৰা লাভলীনাই দ্বিতীয়খন খেলত অলিম্পিক ৰিফুজি দলৰ ছিণ্ডী নাগাম্বাৰ বিৰুদ্ধে ০-৫ পইণ্টৰ ব্যৱধানত পৰাস্ত হৈছিল।

০০০০০০

ভাৰতীয় ক্ৰিকেট দলে আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজত চলি থকা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা গ্ৰুপ পৰ্যায়ত অপৰাজেয় হৈ থকাৰ লগতে ৭ পইণ্ট লাভ কৰি শীৰ্ষস্থানত উপনীত হৈ ছুপাৰ-৮লৈ যোগ্যতা অৰ্জন কৰিছে। যোৱা নিশা ভাৰতে নিজৰ চতুৰ্থ তথা অন্তিম লীগ খেলখনত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈ যদিও বৰষুণৰ বাবে খেলখন পৰিত্যক্ত হয়। ফলত উভয় দলে ১ পইণ্টকৈ লাভ কৰে। ভাৰতে ইয়াৰ পূৰ্বে আয়াৰলেণ্ড, পাকিস্তান আৰু আমেৰিকাক পৰাস্ত কৰিছিল। উল্লেখযোগ্য যে ছুপাৰ-৮ত ভাৰতে তিনিখন খেল খেলিব। অহা ২০ জুন আফগানিস্তান আৰু ২৪ জুনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলাৰ বিপৰীতে ২২ জুনত দ্বিতীয় খেলখন খেলিব যদিও ভাৰতৰ প্ৰতিদ্বন্দ্বী এতিয়াও নিশ্চিত হোৱা নাই।

০০০০০০

দুই বিশ্ব চেম্পিয়ন স্পেইন আৰু ইটালীয়ে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। জাৰ্মানীত চলি থকা প্ৰতিযোগিতাখনৰ যোৱা নিশা অনুষ্ঠিত প্ৰথমখন খেলত স্পেইনে ৩-০ গ'লৰ ব্যৱধানত ক্ৰ'ৱেছিয়াক পৰাস্ত কৰে। গ্ৰুপ-বিৰ খেলখনৰ তিনিওটা গলেই খেলৰ প্ৰথমাৰ্ধত হয়। খেলৰ ২৯ মিনিটত আলভাৰ' মৰাতাই দিয়া গ'লেৰে স্পেইনে অগ্ৰগতি লোৱাৰ পাছত দলৰ হৈ বাকী দুটা গ'ল খেলৰ ৩২ মিনিটত হাবিয়ান ৰিয়াজ আৰু ৪৫ মিনিটত ডানিয়ে দিয়ে।

ইফালে গ্ৰুপ-বিৰ আন এখন খেলত ইটালীয়ে প্ৰথমে গ'ল খোৱাৰ পাছতো ২-১ৰ ব্যৱধানত আলবানিয়াক পৰাস্ত কৰি সম্পূৰ্ণ  পইণ্ট অৰ্জন কৰে। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ-ডিৰ খেলত পোলেণ্ডে  নেডাৰলেণ্ডছৰ বিৰুদ্ধে আৰু গ্ৰুপ-চিৰ খেলত শ্ল'ভেনিয়াই ডেনমাৰ্কৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

পাঁচ গৰাকী অসমীয়া সাহিত্যিকলৈ চলিত বৰ্ষৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য আৰু যুৱ পুৰস্কাৰ, ৰঞ্জু হাজৰিকালৈ  **বিপন্ন বিস্ময় খেল** শীৰ্ষক গ্ৰন্থৰ বাবে শিশু সাহিত্য একাডেমী বঁটা, ডাঃ নয়নজ্যোতি শৰ্মালৈ যুৱ সাহিত্য একাডেমী বঁটা, ভাৰ্জেন জেক'ভা মুছাহাৰীক বড়ো ভাষাৰ বাবে শিশু সাহিত্য একাডেমী বঁটা, ছেল্ফ মেড ৰাণী বড়োলৈ যুৱ সাহিত্য একাডেমী বঁটা আৰু সুতাপা চক্ৰৱৰ্তীলৈ যুৱ সাহিত্য একাডেমী বঁটা আগবঢ়োৱাৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শিৱসাগৰৰ জিলা আদালতৰ নৱনিৰ্মিত ভৱন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ বাতৰিটো দৈনিক অসম কাকতে **শিশু নিৰ্যাতন, বাল্য বিবাহৰ বিৰুদ্ধে ন্যায়পালিকাক কঠোৰ হোৱাৰ আহ্বান** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

নাগৰিকত্ব সংশোধনী আইন বিষয়ক এটা বাতৰি কা নাগৰিকত্ব বিচাৰি অসমত ৮ খন আবেদন দাখিল, পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ তথ্য নাথাকিলেও নাকচ নহ'ব আবেদন, ৰাজ্য উচ্চ ক্ষমতাসম্পন্ন কমিটিসমূহলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ নিৰ্দেশ ঃ পৰীক্ষণত যোগ্য বিবেচিত নোহোৱা আবেদনসমূহ ৰাখিব লাগিব

পিছলৈ ঃ আবেদনৰ তথ্য-প্ৰমাণ পৰীক্ষণৰ মুখ্য দায়িত্ব দিলে কেন্দ্ৰীয় চোৰাংচোৰা সংস্থা শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লাচিত বৰফুকন সাংস্কৃতিক পৰিদৰ্শন কৰি ডিচেম্বৰত জাঁজী পৰ্যন্ত ফ'ৰলেনযুক্ত পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব বুলি কৰা ঘোষণাৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাত হোৱা কেলেংকাৰীৰ বাতৰি নীট কাণ্ডত উত্তৰ দেশ শিৰোনামেৰে আমাৰ অসম কাকতে মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটো দৈনিক অগ্ৰদূত **কাকতেও ৩২ লাখ টকাত বিক্ৰী নীটৰ প্ৰশ্নকাকত** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

কাজিৰঙা সুৰক্ষাৰ বাবে শীঘ্ৰে ৬০০ সুৰক্ষা কৰ্মীক নিয়োগ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাৰ বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতীয় সেনাই জোৱানসকলৰ জীৱন ৰক্ষাৰ লক্ষ্যৰে সীমান্তত নাগাষ্ট্ৰ-ৱান নামৰ উচ্চ প্ৰযুক্তিসম্পন্ন আত্মঘাটী ড্ৰোণৰ ব্যৱস্থা কৰাৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইটালীত অনুষ্ঠিত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনৰ কালি সামৰণি পৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ছিকিমত ভূমিস্খলনত নিহতৰ সংখ্যা ৯লৈ বৃদ্ধি ঃ এতিয়াও আবদ্ধ শ শ পৰ্যটক, কেৰালাত কাউৰীৰ দেহত বাৰ্ডফ্লু ঃ লক্ষ্যাধিক কাউৰী নিধন ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত